প্ৰতিটো বিভাগতে তেওঁৰ অসামান্য সাহিত্যিক প্ৰতিভাৰ স্বাক্ষৰ দেখা যায়। সাহিত্য-কৃতিৰে 'বেজবৰুৱা যুগ'ৰ সৃষ্টি কৰা এই মহান লেখকজনৰ ৰচনাসমূহ অসমীয়া সাহিত্যৰ একো একোটা মহান সম্পদ। তলত এই বিষয়ে বহলাই আলোচনা দাঙি ধৰা হ'ল।

৪.৩ অসমৰ সাহিত্য-সংস্কৃতিৰ বিভিন্ন দিশলৈ লক্ষ্মীনাথ বেজবৰুৱাৰ অৱদান

লক্ষ্মীনাথ বেজবৰুৱাই সাহিত্য জগতত প্ৰৱেশ কৰে *লিতিকাই* নামৰ ধেমেলীয়া নাট এখনৰ জৰিয়তে। ই এটা পুৰণি সৰ্বজনবিদিত সাধুকথাৰে নাট্যৰূপ। বেজবৰুৱাৰ সাহিত্যিক জীৱনৰ মূল আধাৰ আছিল অসমীয়া সমাজখন। অসমীয়া সমাজ জীৱনৰ বিভিন্ন ৰীতি-নীতি, আচাৰ ব্যৱহাৰ, বিশ্বাস-অন্ধবিশ্বাস, ধৰ্ম, আদৰ্শ, খাদ্য, সাজ-পাৰ ইত্যাদিৰ এখন সুন্দৰ চিত্ৰ তেওঁৰ প্ৰায়বোৰ ৰচনাৰ মাজতেই দেখা যায়।

মূলতঃ পাশ্চাত্য দৰ্শনৰ প্ৰভাৱে বেজবৰুৱাক প্ৰভাৱিত কৰিছিল যদিও জাতীয় সাহিত্যৰ উন্নতিহে তেওঁৰ মূল উদ্দেশ্য আছিল। অসমীয়া সাহিত্যত বেজবৰুৱাৰ যোগেদিয়ে প্ৰৱেশ কৰিলে পাশ্চাত্য দৰ্শন, নৱন্যাসবাদ আদিয়ে। পাশ্চাত্য দৰ্শনৰ দ্বাৰাই বেজবৰুৱাই অসমীয়া সাহিত্যক বস্তুনিষ্ঠ দৃষ্টিভংগীৰে সমৃদ্ধ কৰিলে। মাধৱ কন্দলী, শংকৰদেৱ, মাধৱদেৱৰ ধ্ৰুপদী সাহিত্যই যিদৰে এটা যুগ সৃষ্টি কৰিলে, সেইদৰে সেইসকল মনীষীৰ ৰচনাৰ পটভূমিত বেজবৰুৱাই সৃষ্টি কৰিলে জাতীয় ভাবযুক্ত দৃষ্টিভংগীৰে সমৃদ্ধ অসমীয়া সাহিত্যৰ এটি নতুন যুগৰ।

জাতীয় সচেতনতা আৰু স্বদেশ স্বজাতিৰ উন্নতি সাধন বেজবৰুৱাই নিজৰ জীৱনৰ ব্ৰত হিচাপে গ্ৰহণ কৰিছিল। অসমীয়া ভাষা-সাহিত্য-সংস্কৃতিৰ ঐতিহ্যৰ কথা সোঁৱৰাই অসমীয়া মানুহৰ জাতীয়তাবোধ আৰু ভাষা চেতনা জাগ্ৰত কৰাৰ মূলতে আছিল বেজবৰুৱা।

বেজবৰুৱাৰ সাহিত্যিক জীৱনত দুটা স্পষ্ট ধাৰা পৰিলক্ষিত হোৱা দেখা যায়। এটা সৃষ্টিশীল ধাৰা, আনটো সমালোচনামূলক ধাৰা। অৱশ্যে সৃষ্টিশীল সাহিত্যৰ মাজতো ব্যঙ্গকাৰ-সমালোচক বেজবৰুৱা সজীৱ হৈয়েই ৰৈছিল। সমালোচনামূলক ধাৰাটোৰ মূল সুৰ দুটা — জাতীয় জীৱনৰ অতীত গৌৰৱ প্ৰতিষ্ঠা আৰু ব্যঙ্গৰ মাজেদি সমাজ সংস্কাৰ। বেজবৰুৱাৰ হাতত অসমীয়া ব্যঙ্গ সাহিত্যই যি মাত্ৰা পালে সেয়া আজিও অনতিক্ৰম্য হৈ ৰৈছে। সমালোচনামূলক ধাৰাটোৰ এক অনন্য সাধাৰণ সূঁতি হ'ল বৈষ্ণৱ সাহিত্য-সংস্কৃতি বিষয়ক গহীন প্ৰবন্ধসমূহ। অসমীয়া জাতীয় জীৱনত শংকৰদেৱক আধুনিক ৰূপত প্ৰতিষ্ঠা আৰু জাতীয় পৰিচয়ৰ মধ্যমণি ৰূপে প্ৰতিষ্ঠাত বেজবৰুৱাৰ অৱদান অনন্য।

"অসমীয়া ভাষা, সাহিত্যৰ সমৃদ্ধিয়েই হৈছে অসমীয়া জাতিৰ সমৃদ্ধি"— এই কথাযাৰকে মৰণপণ কৰি লোৱা লক্ষ্মীনাথ বেজবৰুৱাই অসমীয়া জাতিৰ উদ্ধাৰৰ হকেই হাতত কলম তুলি লৈছিল আৰু তেওঁৰ সেই কলম কেতিয়াও থমকি ৰোৱা নাছিল। অসমীয়া জাতিৰ স্বকীয় বৈশিষ্ট্য উদ্ধাৰৰ হেতু প্ৰাণে-পণে লাগি জাতিটোৰ প্ৰাণ প্ৰতিষ্ঠা কৰাৰ বাবে বেজবৰুৱাৰ স্থান অসমীয়াৰ বুকুত চিৰদিন খোদিত হৈ ৰ'ব।

অসমীয়া সাহিত্যত লক্ষ্মীনাথ বেজবৰুৱাৰ স্থান নিৰ্ণয় কৰোঁতে সমকালীন সামাজিক,

অসমৰ জাতীয় জীৱনৰ লগত বেজবৰুৱাৰ ইমানেই নিবিড় সম্পৰ্ক আছিল যে তেওঁৰ প্ৰতিটো ৰচনাতেই অসমৰ লোকসংস্কৃতি আৰু ভাষা-সাহিত্যৰ প্ৰতি অপত্য প্ৰেম জিলিকি উঠিছে। অৱশ্যে, এই কথাটোতো সন্দেহ নাই যে, বেজবৰুৱাৰ সৃষ্টিশীল সাহিত্য সৃষ্টিৰ অনুপ্ৰেৰণা ইংৰাজী অথবা বাংলা সাহিত্যহে আছিল। কিন্তু ইংৰাজী বা বাংলা সাহিত্যৰ আদৰ্শত গঢ় লৈ উঠিলেও তেওঁ কোনো বিষয়তে আনক অনুকৰণ কৰা দৃষ্টিগোচৰ হোৱা নাছিল। বৰঞ্চ বাহিৰৰ প্ৰভাৱত সম্পূৰ্ণভাৱে ঘৰুৱা ঠাঁচতহে তেওঁ সাহিত্যকৰ্ম সম্ভাৰ সৃষ্টি কৰিছিল। জাতিৰ আত্মাক জনাৰ প্ৰচেষ্টাৰ ফল স্বৰূপে আমি তেওঁৰ পৰা *বুঢ়ী আইৰ সাধু, জুনুকা, ককাদেউতা আৰু নাতি ল'ৰা, শ্ৰী শ্ৰী শংকৰদেৱ, মহাপুৰুষ শ্ৰীশংকৰদেৱ আৰু শ্ৰীমাধৱদেৱ* আদি সাহিত্য লাভ কৰোঁ। ইয়াৰ বাহিৰেও ধৰ্মৰ গধুৰ তত্ত্ব সম্পৰ্কে জ্ঞান লাভ কৰিবলৈ তেওঁ আমাক দিয়ে *ভগবৎ কথা, তত্ত্বকথা, শ্ৰীকৃষ্ণকথা* আদিৰ দৰে আলোচনাসমূহ। এইখিনিতে এটা কথা উল্লেখ কৰিব লাগিব যে, এটা সম্ভ্ৰান্ত বৈষ্ণৱ পৰিয়ালত জন্মগ্ৰহণ কৰাৰ ফলস্বৰূপেই বেজবৰুৱাই শংকৰদেৱৰ আদৰ্শ, চিন্তা-চৰ্চা আৰু কৰ্মৰ লগত পৰিচয় লাভ কৰাৰ সুযোগ পাইছিল আৰু তাৰেই প্ৰভাৱ তেওঁৰ সাহিত্যকৰ্মতো পৰিছিল।

বেজবৰুৱাৰ আধুনিক, সংস্কাৰমুক্ত দৃষ্টিভংগীৰ পৰিচয় তেওঁৰ হাস্য-ব্যংগ ৰচনাসমূহতো পোৱা গৈছে, যাৰ বাবেই তেওঁ 'ৰসৰাজ' উপাধি লাভ কৰিছিল। *কৃপাবৰ বৰুৱাৰ কাকতৰ টোপোলা, কৃপাবৰ বৰুৱাৰ ওভতনি, কৃপাবৰ বৰুৱাৰ ভাৱৰ বুৰবুৰণি, বৰবৰুৱাৰ বুলনি* আৰু *বৰবৰুৱাৰ চিন্তাৰ শিলগুটি* আদি তেওঁৰ ব্যংগ সাহিত্যৰ উৎকৃষ্ট সংকলন। অসমীয়া সমাজক অন্ধকাৰ আৰু কু-সংস্কাৰৰ গৰাহৰ পৰা উদ্ধাৰ কৰাৰ উদ্দেশ্যৰেই তেওঁ উক্ত শ্ৰেণীৰ সাহিত্যৰাজীৰ সৃষ্টি কৰিছিল। ইয়াৰ বাহিৰেও *নোমল, পাঁচনি, চিকৰপতি-নিকৰপতি* আদি বিমল হাস্য ৰস যুক্ত প্ৰহসন কেইখনৰ উদ্দেশ্যও আছিল— হাস্যৰসৰ চলেৰে অসমীয়া সমাজৰ দুৰ্নীতিৰ স্বৰূপ উদঙাই দেখুওৱা। মুঠতে অন্ধবিশ্বাস, কু-সংস্কাৰ, ভণ্ডামি, হীনমান্যতা আৰু আনুকৰণপ্ৰিয়তা আদিক অসমীয়া সমাজৰ পৰা আঁতৰ কৰাৰ উদ্দেশ্যৰেই তেওঁৰ সমাজ সংস্কাৰকৰ ভূমিকাও গ্ৰহণ কৰিছিল।

অসমীয়া চুটিগল্পৰ জন্মদাতা বেজবৰুৱাই আকৌ সাধুকথা আৰু চুটিগল্পৰ মাজত বিশেষ পাৰ্থক্য ৰখা নাছিল। তেওঁ নিজেই সেই কথা উল্লেখ কৰিছে। সেয়ে বেজবৰুৱাৰ বহুতো চুটিগল্প প্ৰাচীন সাধুকথা আৰু আধুনিক চুটিগল্পৰ মাজৰ বস্তু। অসমৰ ঐতিহ্য সন্ধান কৰাৰ লগতে ইউৰোপীয় চুটিগল্পৰ সমন্বয় ঘটাই যে তেওঁ চুটিগল্প ৰচনা কৰিছিল, তাত সন্দেহ নাই। 'ভোকেন্দ্ৰ বৰুৱা,' 'ভেমপুৰীয়া মৌজাদাৰ', 'জাতিৰামৰ জাত', আদিৰ দৰে গল্পত তেওঁৰ ঐতিহ্যৰ সন্ধানৰ লগতে আধুনিক সংস্কাৰকামী মনটোৰো প্ৰকাশ ঘটিছে। ইয়াৰ উপৰি 'ভদৰী', 'মুক্তি', 'পাতমুগী', 'আমালৈ নেপাহৰিব', 'জয়ন্তী', 'চোৰ', 'কন্যা' আদি গল্পত অসমীয়া লোকসমাজ, সমাজৰ ভিন্ ভিন্ স্তৰৰ স্ত্ৰী-পুৰুষৰ চৰিত্ৰ নিৰ্মাণ, ঠগ-প্ৰৱঞ্চনা-ভণ্ডামি আদিৰ লগতে প্ৰকৃতিৰ সতে লোকসমাজৰ অবিচ্ছিন্ন সম্পৰ্ক আদিক ফুটাই তুলিবলৈ যত্ন কৰিছে। *সুৰভী, সাধুকথাৰ কুঁকি, জোনবিবি, কেহোঁকলি* আদি তেওঁৰ চুটিগল্পৰ সংকলন।

আধুনিক অসমীয়া নাটকৰ ইতিহাসতো বেজবৰুৱাই উল্লেখযোগ্য স্থান দখল কৰিছে। *চক্ৰধ্বজ সিংহ, বেলিমাৰ, জয়মতী কুঁৱৰী* আদি নাটকত বুৰঞ্জীৰ পুনৰোদ্ধাৰৰ লগতে তেওঁৰ

আমাৰ জাতীয় চৰিত্ৰসমূহক পুনৰ নিৰ্মাণ কৰি দেশক আগুৱাই নিয়াৰ উদ্দেশ্য তেওঁৰ তীব্ৰ জাতীয় দায়ৱদ্ধতা আৰু সাংস্কৃতিক চেতনাৰ পৰিচায়ক।

'অসম সঙ্গীত'ত বেজবৰুৱাই উল্লেখ কৰা আহ্বানৰ মাজত অসমীয়াৰ বাবে প্ৰচুৰ সাংস্কৃতিক সচেতনতাৰ আহ্বান লক্ষ্য কৰা যায়—

হেৰা অসমীয়া নোহোৰ দুখীয়া
কিহৰ দুখীয়া হ'বা ?
নিজক নাপাহৰি প্ৰভুক সুৱৰি
লাগাচোন সুফল পাবা।

'অসম সঙ্গীত'ৰ দৰেই তেওঁৰ 'ব্ৰহ্মপুত্ৰ সঙ্গীতো' সাংস্কৃতিক চেতনাৰ প্ৰতীক। বেজবৰুৱাই ৰচনা কৰা 'বিহু' নামৰ গীতটোত অসমীয়া বিহু কেন্দ্ৰিক আচাৰ-নীতিৰ পৰা আৰম্ভ কৰি ৰং-ৰহইচ তথা আনন্দ-উছাহৰ অপূৰ্ব সংযোগ ঘটিছে। অসমীয়া লোকসংস্কৃতিৰ অন্যতম বাহক বিহুৰ যি ৰং স্ফুৰ্তি সেয়া গীতৰ মাজেৰে হুবহুভাৱে তুলি ধৰি তেওঁ অসমীয়া সংস্কৃতিৰ ভঁৱাল টনকিয়াল কৰি গৈছে।

কবিতা আৰু গীত পদবোৰৰ বাহিৰেও তেওঁৰ বুৰঞ্জীমূলক নাটকসমূহত অসমীয়া সংস্কৃতিত প্ৰায়বোৰ দিশেই ৰক্ষিত হৈছে। তেওঁৰ প্ৰায়কেইখন নাটকতেই আহোম যুগৰ নীতি-আদৰ্শৰ লগতে আন আন ভালেমান সামাজিক ৰীতি-নীতি প্ৰতিবিম্বিত হৈছিল, যিবোৰ আছিল অসমীয়া সংস্কৃতিৰ ঐতিহ্যৰ বাহক। উদাহৰণস্বৰূপে ক'ব পাৰি— আহোম ৰজাসকলে যুদ্ধৰ বাবে শুভক্ষণ গণনা কৰা, যুদ্ধত জয়ী হ'লে উৎসৱ-অনুষ্ঠানৰ আয়োজন কৰা, মন্দিৰ-দেৱালয়ত চাকি জ্বলোৱা, সৈনিক সেনাপতিক বটা-বাহন দিয়া, সত্ৰ-থান আদিলৈ সোণ-ৰূপ আগবঢ়োৱা, গোঁসাই-ব্ৰাহ্মণক চাউল-সিধা দিয়া আদি পৰম্পৰাবোৰ উল্লেখযোগ্য। ইয়াৰ বাহিৰেও *চক্ৰধ্বজ সিংহ* নাটকত চেনেহীয়ে তাতঁশালত ফুল বোৱা, *গদাধৰ ৰজাত* কমলাই মুগা-বিহা বোৱা আদি নিঃসন্দেহে অসমীয়া সংস্কৃতি তথা ঐতিহ্যৰ পৰিচায়ক। বিহা-মেখেলা, আঁচু সূতাৰ ফুল তোলা, হাতত খাৰু পিন্ধা আদিবোৰ কথাই বেজবৰুৱাৰ সাংস্কৃতিক মনৰ পৰিচয় দিয়ে।

তেওঁৰ প্ৰায়বোৰ সাধুকথাতেই অসমৰ সহজ-সৰল লোকজীৱন ফুটি উঠিছে। তেওঁৰ হাস্য-ব্যংগ ৰচনাসমূহতো ঐতিহ্য আৰু সংস্কৃতি চেতনা পৰিলক্ষিত হয়। অসমীয়া গ্ৰাম্য সংস্কৃতিৰ নিভাঁজ চিত্ৰ আঁকাৰ উপৰি তেওঁ পৰস্পৰকে নতুন দৃষ্টিভঙ্গীৰে চোৱাৰো প্ৰয়াস কৰিছিল তেওঁৰ কেইবাটাও গল্পত। বেজবৰুৱাৰ সংস্কাৰকামী মনটোৱে ঐতিহ্য ৰক্ষাৰ নামত অন্ধ অনুকৰণক সমৰ্থন কৰা নাছিল সেয়ে তেওঁ সংস্কৃতি চৰ্চাৰ জৰিয়তে সমাজৰ সংস্কাৰ সাধন কৰিবলৈ চেষ্টা কৰিছিল। বেজবৰুৱাৰ সংস্কৃতিৱান মনটোত শংকৰী সংস্কৃতিৰ প্ৰভাৱো মন কৰা যায়। তেওঁৰ বৈষ্ণৱধৰ্ম আৰু দৰ্শন সম্পৰ্কীয় ৰচনাসমূহত এই শংকৰী ধৰ্ম-সংস্কৃতিৰ শিক্ষাই যে গভীৰভাৱে প্ৰভাৱ পেলাইছিল সেয়া নক'লেও হ'ব।

মুঠতে জাতীয় জীৱনৰ প্ৰতি প্ৰেম আৰু গভীৰ সাংস্কৃতিক চেতনাই যে বেজবৰুৱাৰ সাহিত্য সমূহক সমৃদ্ধ কৰিছিল সেয়া অনস্বীকাৰ্য।

জাতি এটাৰ ৰাজনীতি থাকিব নোৱাৰে বুলি ভবা বেজবৰুৱাই আধুনিক বিশ্বত সংঘটিত যুদ্ধত ৰাজনৈতিক-অর্থনীতি যে সাম্রাজ্যবাদ সেই কথা স্বীকাৰ কৰিছিল। এয়া নিঃসন্দেহে বেজবৰুৱাৰ গভীৰ ৰাজনৈতিক দূৰদৃষ্টিৰ পৰিচায়ক।

মূলতঃ লক্ষ্মীনাথ বেজবৰুৱাই জাতি নির্মাণৰ বাবেই সাহিত্য সৃষ্টি কৰিছিল। গল্প, কবিতা, নাটক অথবা ব্যংগ সাহিত্যৰ জৰিয়তে তেওঁ জাতীয় উত্তৰণত বাবে আহোপুৰুষার্থ কৰিছিল আৰু তেওঁ সফলো হৈছিল। জাতিটোৰ প্রতি থকা এনে গভীৰ দায়িত্ববোধে তেওঁক এক বিশাল সাহিত্যৰাজী সৃষ্টি কৰিবলৈ অনুপ্রেৰণা যোগাইছিল আৰু কলমটোকে তেওঁ অস্ত্র হিচাপে ব্যৱহাৰ কৰিছিল। নক'লেও হ'ব যে জাতীয় সাহিত্যৰ লগত জাতীয় জীৱনৰ ওতপ্রোত সম্পর্ক। এই কথালৈ লক্ষ্য ৰাখিয়েই বেজবৰুৱাই এইবুলি কৈছিল যে — "জাতীয় জীৱন সংকীর্ণ হ'লে জতীয় সাহিত্যও সেই সংকীর্ণতাৰ পৰা হাত সাৰিব নোৱাৰে। যি জাতিৰ জীৱন মুক্ত আৰু স্বাধীন, সেই জাতিৰ সাহিত্য মুক্ত, স্বাধীন আৰু অব্যাহত জাতি, সেই সাহিত্যই নির্ভয়ে, নিঃসংকোচে কল্পনা আৰু ভাবৰ ৰাজ্যত স্বচ্ছন্দে বিচৰণ কৰিব পাৰে, যি সোনকালে কদাপিও বিদেশী বিজাতিৰে সৈতে ভাৰ আৰু কল্পনাৰ আদান-প্রদানত নিজৰ অস্তিত্ব হেৰুৱাৰ ভয় কৰি নিজক সংকুচিত কৰি নুফুৰে।"

আগতেই উল্লেখ কৰি অহা হৈছে যে, বেজবৰুৱাৰ মতে বহিঃ বিশ্বৰ স'তে হোৱা আদান-প্রদানে ভাষা-সাহিত্যক পাৰস্পৰিক অৱদানেৰে সমৃদ্ধ কৰি তোলে। এই দর্শনৰ আধাৰতেই লক্ষ্মীনাথে ইংৰাজী সাহিত্য আৰু বঙলা সাহিত্যৰ বিচাৰ কৰিছে।

বেজবৰুৱাৰ অনেক লেখাত জাত্যাভিমানী শক্তিসমূহক আৰু অধিক শক্তিশালী কৰি জগাই তোলাৰ শ্লোগান পোৱা যায়। উদাহৰণস্বৰূপে, ১৯৬২ চনত ধুবুৰীত অনুষ্ঠিত হোৱা অসম সাহিত্য সভাৰ নৱম অধিৱেশনত তেওঁ দিয়া (বিশিষ্ট অতিথি হিচাপে) ভাষণৰ কথা উল্লেখ কৰিব পাৰি। এই ভাষণৰ মূল বিষয়বস্তু আছিল গোৱালপৰীয়া ডিষ্ট্রিক এছ'ছিয়েচনৰ হাকাম অধিৱেশনৰ অভ্যর্থনা সমিতিৰ সভাপতি জৈনক শ্রীযুত চক্রৱর্তীৰ অভিভাষণৰ সমালোচনা।

সমসাময়িক অসমীয়া জাতীয় জীৱনৰ সংকটৰ কালছোৱাত বেজবৰুৱাৰ প্রাসংগিকতাক নুই কৰিব নোৱাৰি। আমাৰ জাতীয় জীৱন তথা ভাষা-সাহিত্যৰ চিৰপ্রৱাহমান সোঁত বুলি বেজবৰুৱাক প্রতিষ্ঠা কৰিব পাৰিলে আৰু সেই আদর্শৰে বাট বুলিলে, সাম্প্রতিক জাতীয় সমস্যা সমূহৰ কিছু পৰিমাণে হলেও উপশম হ'ব বুলি ভাবিব পাৰি।

প্রথমতে, আমি আমাৰ জাতীয় জীৱনৰ সংকটক স্থানীয় পটভূমিৰ মাজত সীমাবদ্ধ নাৰাখি বিবর্তিত ৰাষ্ট্রীয় আৰু আন্তঃৰাষ্ট্রীয় পৰিস্থিতিৰ মাজত ৰাখিব লাগিব। সকলো ধৰণৰ গোড়ামিসমূহক পৰিহাৰ কৰি জাতীয় সংস্কৃতিক থলুৰা লোকসংস্কৃতিৰ উপাদানেৰে সমৃদ্ধ কৰিবলৈ চেষ্টা কৰিলেহে বেজবৰুৱাৰ উদ্দেশ্য সফল হ'ব। কিয়নো বেজবৰুৱাই সদায় ধর্মক আচাৰ-নীতিৰ মাজত আবদ্ধ কৰি ৰখাৰ বিৰোধিতা কৰিছিল, হিন্দু-মুছলমানৰ সম্প্রীতিৰ কথা কৈছিল, আধুনিক শিক্ষাৰ উত্থান বিচাৰিছিল, বিধবা বিবাহৰ সপক্ষে মাত দিছিল আৰু আত্মনির্ভৰশীল তথা স্বাৱলম্বীতাৰ মাজেৰে জাতিটোৰ মুক্তি বিচাৰিছিল।



৪.৫ অধ্যায়টিৰ পৰা আমি কি শিকিলো

- অসমীয়া চুটিগল্পৰ জনক ৰসৰাজ লক্ষ্মীনাথ বেজবৰুৱা অসমীয়া সাহিত্য জগতৰ উজ্বল নক্ষত্ৰ স্বৰূপ। গল্প, নাটক, উপন্যাস, কবিতা, গীত ব্যংগ ৰচনা আদিৰে তেওঁ অসমীয়া ভাষা সাহিত্যক সমৃদ্ধ কৰিছিল। চাৰিটা দশক যোৱা নিৰবিচ্ছিন্ন সাহিত্য-চৰ্চাৰে তেওঁ এটি যুগৰ (বেজবৰুৱা যুগ) সৃষ্টি কৰিব পাৰিছিল। তেওঁৰ প্ৰায় সকলোবোৰ ৰচনাই অসমীয়া সাহিত্যৰ বাবে একো একোটা মহান সম্পদ।
- বেজবৰুৱাৰ সাহিত্যিক জীৱনৰ মূল আধাৰ আছিল অসমীয়া সমাজখন। মূলতঃ পাশ্চাত্য দৰ্শনৰ প্ৰভাৱে তেওঁক প্ৰভাৱিত কৰিছিল যদিও জাতীয় সাহিত্যৰ উন্নতিহে তেওঁৰ মূল উদ্দেশ্য আছিল। জাতীয় সচেতনতা আৰু স্বদেশ-স্বজাতিৰ উন্নতি সাধনক বেজবৰুৱাই নিজৰ জীৱনৰ ব্ৰত হিচাপে গ্ৰহণ কৰিছিল। অসমীয়া ভাষা-সাহিত্য-সংস্কৃতিৰ ঐতিহ্যৰ কথা সোঁৱৰাই অসমীয়া মানুহৰ জাতীয়তাবোধ আৰু ভাষা-চেতনা জাগ্ৰত কৰাই তেওঁৰ মূল উদ্দেশ্য আছিল। অধ্যায়টোত তেওঁৰ সাহিত্যৰাজিৰ মাজেৰে এই দিশ সমূহ কেনেদৰে ফুটি উঠিছে সেয়া বহলাই আলোচনা কৰা হ'ল।
- বেজবৰুৱাই অসমৰ জাতীয় সংকট সমূহৰ নিৰ্মূলৰ বাবে আজিৰ পৰা প্ৰায় ডেৰশ বছৰৰ আগতেই উপায় দেখুৱাই থৈ গৈছিল। তেওঁৰ মতে ভাষা-সাহিত্য চিন্তাৰ স্বকীয়তাৰ মন্ত্ৰৰে দীক্ষিত হৈ বিশ্বমুখী চিন্তাৰ প্ৰসাৰ কৰিব পাৰিলেহে জাতীয় উন্নতি সম্ভৱ। সাহিত্য, সংস্কৃতিক জন-চেতনাৰ আধাৰ কৰি স্ব-নিৰ্ভৰশীলতাৰ মাজেৰেহে মুক্তিৰ পথ সম্ভৱ। বেজবৰুৱাৰ এই আদৰ্শ সাম্প্ৰতিক সময়ৰ অসমীয়া জাতীয় জীৱনৰ বাবেও অতিকৈ গুৰুত্বপূৰ্ণ।



৪.৬ অধিক জানিবলৈ

১) গুৱাহাটী বিশ্ববিদ্যালয় (প্ৰকা.) (২০১৩); *আধুনিক অসমীয়া সাহিত্যৰ ঐতিহ্য আৰু লক্ষ্মীনাথ বেজবৰুৱা;* গুৱাহাটী ঃ গুৱাহাটী বিশ্ববিদ্যালয়।

২) গোস্বামী, যতীন্দ্ৰ নাথ (২০০২); *অসমীয়া সাহিত্যৰ চমু বুৰঞ্জী;* গুৱাহাটী ঃ অসম বুক ডিপো

৩) গোস্বামী, যতীন্দ্ৰ নাথ (2001); *সাহিত্যৰথী লক্ষ্মীনাথ বেজবৰুৱা;* গুৱাহাটী ঃ জ্যোতি প্ৰকাশন।

খ) বেজবৰুৱাই সম্পাদনা কৰা কাকতখনৰ নাম কি? কেতিয়া প্রকাশ হৈছিল?

গ) বেজবৰুৱাই ৰচনা কৰা একমাত্র উপন্যাসখনৰ নাম কি?

ঘ) বেজবৰুৱাৰ কবিতাপুথি কেইখন আৰু কি কি?

ঙ) বেজবৰুৱাৰ ঐতিহাসিক নাটক কেইখনৰ নাম কি কি?

চুটি প্রশ্ন (১৫০ শব্দৰ ভিতৰত উত্তৰ লিখক)

প্রশ্ন ১ ঃ বেজবৰুৱাৰ সাহিত্য-চর্চাৰ মূল উদ্দেশ্য কি আছিল চমুকৈ লিখক।

প্রশ্ন ২ ঃ অসমীয়া ভাষাৰ উন্নতি সাধিনী সভাৰ লগত বেজবৰুৱাৰ সম্পর্ক কি? তেওঁ কি কৰিছিল?

প্রশ্ন ৩ ঃ বেজবৰুৱাৰ সাহিত্যত জাতীয়তাবাদ কেনেদৰে ফুটি উঠিছিল চমুকৈ আলোচনা কৰক।

প্রশ্ন ৪ ঃ বেজবৰুৱাৰ সাহিত্যক জীৱনত দেখা পোৱা মূল ধাৰা দুটা কি আছিল? চমুকৈ লিখক।

ৰচনাধর্মী প্রশ্ন (৩০০-৫০০ শব্দৰ ভিতৰত উত্তৰ লিখক)

প্রশ্ন ১ ঃ অসমীয়া সাহিত্যলৈ বেজবৰুৱাৰ অৱদান সম্পর্কে এটি প্রবন্ধ যুগুত কৰক।

প্রশ্ন ২ ঃ বেজবৰুৱাৰ সাংস্কৃতিক চেতনা সম্পর্কে এটি প্রবন্ধ যুগুত কৰক।

প্রশ্ন ৩ ঃ ঐতিহাসিক চেতনাৰ মাজেৰে বেজবৰুৱাৰ জাতীয় প্রেম কিদৰে ফুটি উঠিছে আলোচনা কৰক।

প্রশ্ন ৪ ঃ বেজবৰুৱাৰ সাহিত্যৰ মাজেৰে প্রকাশ পোৱা নতুন দৃষ্টিভংগী সম্পর্কে এটি আলোচনা যুগুত কৰক।

প্রশ্ন ৫ ঃ অসমীয়া ভাষা-সাহিত্যৰ চিৰ প্রবাহমান সোঁত হিচাপে বেজবৰুৱাক প্রতিষ্ঠা কৰিব পাৰিনে? আলোচনা কৰক।

*** ***** ***